*Total number of printed pages–4*

**3 (Sem–1/CBCS) ASM–AE**

**2025**

**ASSAMESE**

( MIL )

Paper : ASM–AE–1014

***( Assamese Communication )***

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

DHEKIAL PHOOKAN COLLEGE LIBRARY
Acc. No.
Date

১। এটা শব্দ *বা* বাক্যত উত্তৰ লিখা ঃ ১×১০=১০

(ক) অসমীয়া ভাষাত মুদ্ৰিত প্ৰথমখন গ্ৰন্থৰ নাম লিখা।

(খ) অসমত উমৈহতীয়াভাৱে ব্যৱহৃত অসমীয়া ভাষাটোক কি বুলি কোৱা হয়?

(গ) কম্পিউটাৰৰ উদ্ভৱ কেতিয়া হৈছিল?

(ঘ) ছফট্‌ৱেৰত উপলব্ধ *এখন* অসমীয়া অভিধানৰ নাম লিখা।

(ঙ) অসমীয়া ভাষাৰ ধ্বনিবোৰ সঠিক উচ্চাৰণগত ৰূপত লিখিবলৈ কোনবোৰ প্ৰতীক ব্যৱহাৰ কৰা হয়?

(চ) ভাষা-শিক্ষণৰ বাবে প্ৰয়োজনীয় কৌশল *এটাৰ* নাম লিখা।

(ছ) ফেচবুকৰ জন্মদাতা কোন?

(জ) অসমীয়া লিপিৰ মূল কি?

(ঝ) UNICODE-ৰ সম্পূৰ্ণ ৰূপটো কি?

(ঞ) অসমীয়া ভাষাত বিশিষ্ট ব্যঞ্জনধ্বনি বা বৰ্ণ কেইটা?

২। চমুকৈ উত্তৰ লিখা ঃ ২×৫=১০

(ক) বিজ্ঞাপনৰ উদ্দেশ্য কি?

(খ) কোনো এটা প্ৰসাধন সামগ্ৰীৰ বিজ্ঞাপন দূৰদৰ্শনত কেনেদৰে দিব পাৰি, উল্লেখ কৰা।

(গ) ইন্টাৰনেটৰ দ্বাৰা যোগাযোগ ব্যৱস্থা সৃষ্টি কৰা ব্যক্তি *দুজনৰ* নাম লিখা।

(ঘ) "যাৰ প্ৰকৃতি ভাল যাৰ দাঁত আৰু ওঁঠ শোভন যি কথা বাৰ্তাত মুখৰ আৰু বিনয়ী তেওঁ প্ৰকৃত উচ্চাৰণ কৰিব পাৰে।" বাক্যটোত যতিচিহ্নৰ প্ৰয়োগ কৰা।

(ঙ) আখৰ-জোঁটনি আৰু বৰ্ণবিন্যাস বুলিলে কি বুজা, লিখা।



DHEKIAL PHOOKAN COLLEGE LIBRARY Acc. No. Date

৩। চমু টোকা লিখা ঃ *(যিকোনো চাৰিটা)* ৫×৪=২০

(ক) অসমীয়া মুদ্ৰণ

(খ) অসমীয়া ভাষা আৰু ৱিকিপিডিয়া

(গ) টুইটাৰৰ ব্যৱহাৰ

(ঘ) ফেচবুকৰ ভাষা

(ঙ) সামাজিক মাধ্যম আৰু ভাষা মিশ্ৰণ

(চ) ভাষা-জ্ঞান

৪। তলৰ *যিকোনো চাৰিটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১০×৪=৪০

(ক) যিকোনো চৰকাৰী চাকৰি এটা বিচাৰি আৱেদন *এখন* প্ৰস্তুত কৰা।

(খ) অসমীয়া ভাষাৰ আখৰ-জোঁটনি সম্পৰ্কে উদাহৰণসহ আলোচনা কৰা।

(গ) কথন-দক্ষতা বুলিলে কি বুজা? অসমীয়া ভাষাৰ ভিত্তিত ফঁহিয়াই আলোচনা কৰা।

(ঘ) অসমীয়া সমাজত ইন্টাৰনেটৰ ব্যৱহাৰ আৰু প্ৰসাৰ সম্পৰ্কে বহলাই আলোচনা কৰা।

(ঙ) মুদ্ৰণ ব্যৱস্থাই অসমীয়া ভাষাক কিদৰে সহায় কৰিছে, বহলাই আলোচনা কৰা।

(চ) সামাজিক মাধ্যমত অসমীয়া ভাষা কেনেধৰণে চৰ্চিত হৈ আছে, ইয়াৰ যোগাত্মক আৰু বিয়োগাত্মক দিশসমূহৰ সৈতে আলোচনা কৰা।

(ছ) তোমাৰ কলেজৰ পুথিভঁৰালৰ বাবে ১০০০০০·০০ (এক লাখ) টকাৰ কিতাপ কিনাৰ বাবে এখন নিবিদা প্ৰস্তুত কৰা।

DHEKIL PHUKAN COLLEGE LIBRARY
Acc. No.
Date

---